# অসম বিধান সভা

## লিখিত উত্তৰৰ বাবে প্ৰশ্নসমূহৰ তালিকা

## মঙ্গলবাৰ, ৪ মাৰ্চ, ২০২৫

**পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, ন্যায়িক, পৰ্য্যটন, সাধাৰণ প্ৰশাসন, বিত্ত, মহিলা আৰু শিশু উন্নয়ন, জনস্বাস্থ্য কাৰিকৰী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা।**

**প্ৰশ্নসমূহৰ মুঠ সংখ্যা - ৫০**

---

*বিষয় ঃ* আঁচনি সন্দৰ্ভত

শ্ৰীছামছুল হুদা ঃ

১৫১। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২৩-২৪, ২০২৪-২৫ বিত্তীয় বৰ্ষত ২৭ নং পূব বিলাসীপাৰা সমষ্টিত কিমানটা জলজীৱন আঁচনিৰ কাম সম্পূৰ্ণ কৰা হ'ল আৰু কিমানটা পৰিয়ালে এই আঁচনিৰ পৰা খোৱাপানী লাভ কৰি আছে?

(খ) যোৱা দুটা বছৰত অনুমোদন লাভ কৰা জলজীৱন আঁচনি সমূহৰ কাম সম্পূৰ্ণ হৈছেনে? যদি হোৱা নাই কিমান বাকী আছে?

(গ) ২০২২-২৩, ২০২৩-২৪ বিত্তীয় বৰ্ষত জলজীৱন আঁচনিৰ কাম সম্পূৰ্ণ কৰা বহুসংখ্যক ঠিকাদাৰে এতিয়াও বিল পোৱা নাই, তেওঁলোকে কিমান দিনৰ ভিতৰত বিল পাব, এইক্ষেত্ৰত কিবা পদক্ষেপ গ্ৰহণ কৰিছে নেকি?

*Sub.* : **Construction of Committee of AWC.**

HAFIZ BASHIR AHMED :

152. Will the Minister of Women & Child Development Department be pleased to state :

(a) How many Model AWC have been sanctioned in Bilasipara West

constituency ? Please furnish list of centers (sanctioned/on going work) with the progress report of each centers during 2022-2023, 2023-2024 & 2024-2025 along with names of the centers in the house.

(b) Whether the suggestion from the local MLAs is taken when the construction committee of such AWC is formed as per Govt. guideline? Request to furnish details of the committees which are already approved along with the names, approved committee members of each A WC .

(c) Please furnish the payment status of all the AWCs sanctioned or works undergoing.

*Sub.* : **Orunodoi Scheme and outstanding loan of the state.**

ABDUR RASHID MANDAL :

153. Will the Minister of Finance Department be pleased to state :

(a) What is the total target of Orunodoi beneficiaries for the State and how it is reallocated District-wise ? Please furnish District-wise allocation of target of Orunodoi beneficiaries along with relevant Government circulars.

(b) Please furnish polling Station wise, GP-wise and constituency-wise target of Orunodoi beneficiaries in Goalpara District along with relevant formula and Government circulars on fixing and finalization of the targets.

(c) How much amount of funds will be required District-wise monthly for running the Orunodoi Scheme in the state ?

(d) How much amount of Capital and interest of loan is pending now for repayment by the State Government ?

(e) Please furnish in details the budgeted amount for all councils and Development Boards and amount released to them by the Government during the year 2024-25 ?

*বিষয় ঃ* **JJM আঁচনি**

শ্ৰীযাদৱ স্বৰ্গীয়াৰী ঃ

১৫৪। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোৱালপাৰা জিলাত JJM আঁচনি কিমানখন আছিল? আঁচনিৰ ধনসহ সবিশেষ, সমষ্টি ভিত্তিত তথ্য সহকাৰে জনাব।

(খ) বৰ্তমান জিলাখনত সম্পূৰ্ণ হোৱা JJM আঁচনিৰ সংখ্যা কিমান? নিৰ্মীয়মান অৱস্থাত থকা আঁচনিৰ সংখ্যা কিমান আৰু কেতিয়া সম্পূৰ্ণ হ'ব? তথ্য সহকাৰে জনাব।

*বিষয় ঃ* **জল জীৱন মিছনৰ আঁচনি**

শ্ৰীনিজানুৰ ৰহমান ঃ

১৫৫। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী জিলাত 'জল জীৱন মিছন' আঁচনিৰ জৰিয়তে কিমানখন আঁচনি বিভাগীয়ভাৱে অনুমোদন দিছে, তাৰ তালিকা সদনত দাখিল কৰিব।

(খ) বৰ্তমানলৈকে ধুবুৰী জিলাত 'জল জীৱন মিছন'ৰ কিমানখন আঁচনিৰ ১০০% কাম সম্পূৰ্ণ হৈছে আৰু কিমানখন আঁচনিৰ কাম চলি আছে? তাৰ তালিকা সদনত দাখিল কৰিব।

(গ) কিমানখন আঁচনিৰ কাম এতিয়ালৈকে আৰম্ভ হোৱা নাই আৰু কিমানখন আঁচনি বিভাগীয়ভাৱে অনুমোদন পাবলৈ বাকী আছে? তাৰ তালিকা কাৰণ সহ সদনত দাখিল কৰিব।

(ঘ) ধুবুৰী জিলাত শৌচালয় (IHHL) নিৰ্মাণৰ নামত কিমান জন-হিতাধিকাৰীক শৌচালয় প্ৰদান কৰা হৈছে আৰু কিমানজন হিতাধিকাৰীক 'DBT' চিষ্টেমৰ যোগেদি ধন মোকলাই দিয়া হৈছিল? হিতাধিকাৰীৰ ঠিকনা, গাঁও পঞ্চায়ত হিচাপে ২০১৭ চনৰ পৰা বৰ্তমানলৈকে তথ্য সদনত দাখিল কৰিব।

(ঙ) কিমানখন 'জল জীৱন মিছন' আঁচনিৰ জৰিয়তে ধুবুৰী, কোকৰাঝাৰ আৰু দক্ষিণ শালমাৰা জিলাত জনসাধাৰণক পানী যোগানৰ সুবিধা প্ৰদান কৰি থকা হৈছে? তথ্য আৰু যোগান ধৰা গাঁৱৰ নাম সদনত দাখিল কৰিব।

*বিষয় ঃ* **MGNREGA আঁচনি ৰূপায়ণ**

শ্ৰীদিগন্ত বৰ্মন ঃ

১৫৬। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰক্ষেত্ৰী বিধান সভা সমষ্টিৰ অন্তৰ্গত বৰক্ষেত্ৰী উন্নয়ন খণ্ডৰ অধীনত ২০১৬-১৭ বিত্তীয় বৰ্ষৰ পৰা ২০২৩-২৪ বিত্তীয় বৰ্ষ পৰ্য্যন্ত কিমানটা MGNREGA আঁচনি অনুমোদন হৈছে?

(খ) ইয়াৰ ভিতৰত কিমান কাম সম্পূৰ্ণ হৈছে আৰু কিমানটা কাম সম্পূৰ্ণ হ'বলৈ বাকী আছে? (তালিকা সদনত দাখিল কৰিব)।

(গ) ২০২২-২৩ আৰু ২০২৩-২৪ বিত্তীয় বৰ্ষত বৰক্ষেত্ৰী উন্নয়ন খণ্ডৰ যোগেদি Material Bill ৰ বাবে কিমান টকা অনুমোদন লাভ কৰিছে?

*বিষয় ঃ* **JJM আঁচনি**

শ্ৰীকৰিমউদ্দিন বৰভূঁঞা ঃ

১৫৭। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

১০ নং সোনাই বিধান সভা সমষ্টিত 'জল জীৱন মিছন'ৰ (JJM) অধীনত আঁচনিসমূহৰ নিৰ্মাণৰ কাম বন্ধ ৰখাৰ কাৰণ কি? বন্ধ কৰা আঁচনিসমূহৰ নিৰ্মাণৰ কাম কেতিয়া সম্পূৰ্ণ হ'ব?

*বিষয় ঃ* **MGNREGA আঁচনিৰ সম্পৰ্কে**

শ্ৰীবসন্ত দাস ঃ

১৫৮। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মঙলদৈ বিধান সভা সমষ্টিৰ পূব মঙলদৈ উন্নয়ন খণ্ড আৰু পশ্চিম মঙলদৈ উন্নয়ন খণ্ড MGNREGA আঁচনিৰ অধীনত ২০২৩-২৪ আৰু ২০২৪-২৫ বিত্তীয় বৰ্ষত এতিয়ালৈকে কিমান আঁচনি অনুমোদন দিয়া হৈছে? পঞ্চায়ত অনুসৰি তালিকা দাখিল কৰিব।

(খ) মঙলদৈ বিধান সভা সমষ্টিৰ এলেকাভুক্ত কোন গাঁও পঞ্চায়তত চৰকাৰী নিয়ম উলংঘা কৰি ২০ টাতকৈ অধিক আঁচনিৰ কাম চলি আছে? যদি আছে, জনাব।

(গ) সেই আঁচনিসমূহ কিমান নং গাঁও সভাত অনুমোদন হৈছে ফটোসহ আঁচনিৰ নাম, তালিকা পঞ্চায়ত অনুসৰি দাখিল কৰিব।

*বিষয় ঃ* **জল জীৱন মিছনৰ সাফল্য আৰু ঠিকাদাৰক আদায় দিবলগীয়া বিলৰ ধন।**

শ্ৰীঅখিল গগৈ ঃ

১৫৯। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ মুঠ কিমান সংখ্যক পৰিয়ালে ২৮ ফেব্ৰুৱাৰী, ২০২৫ তাৰিখলৈকে বিভাগে যোগান ধৰা পাইপৰ বিশুদ্ধ খোৱাপানী লাভ কৰে? বিধান সভা সমষ্টি ভিত্তিক তথ্য দিব।

(খ) এই পানী লাভ কৰা পৰিয়ালৰ সংখ্যা অসমৰ মুঠ পৰিয়ালৰ কিমান শতাংশ? আনহাতে সমষ্টি ভিত্তিক মুঠ পৰিয়ালৰ কিমান শতাংশ পৰিয়ালে পানী পাইছে উল্লেখ কৰিব।

(গ) ৩১ জানুৱাৰী, ২০২৫ পৰ্য্যন্ত অসমৰ কিমান শতাংশ নগৰীয়া আৰু কিমান শতাংশ গ্ৰাম্য পৰিয়ালক পাইপৰ বিশুদ্ধ খোৱাপানী যোগান ধৰা হৈছে? অৱশিষ্টসকলক কেতিয়াৰ ভিতৰত যোগান ধৰা হ'ব?

(ঘ) অসমত জল জীৱন মিছন (JJM)ৰ অধীনত কাম কৰা ঠিকাদাৰক আঁচনিখন আৰম্ভ হোৱাৰ পৰা বৰ্তমানলৈকে সৰ্বমুঠ কিমান টকাৰ বিল আদায় দিয়া হ'ল?

(ঙ) ২৮ ফেব্ৰুৱাৰী, ২০২৫ তাৰিখে ঠিকাদাৰ/ঠিকাদাৰী প্ৰতিষ্ঠানক তেওঁলোকক ৱৰ্ক অৰ্ডাৰ দি থোৱা সৰ্বমুঠ কামৰ সৰ্বমুঠ কিমান টকাৰ বিল আদায় দিবলৈ বাকী আছে, তদুপৰি প্ৰতিজন ঠিকাদাৰ/ঠিকাদাৰী প্ৰতিষ্ঠানৰ নাম আৰু পাবলগীয়া টকাৰ পৰিমাণ উল্লেখ কৰি সদনত বিস্তৃত তথ্য দাখিল কৰিব।

*Sub.* : **Construction of two PWD IB buildings.**

SIRAJUDDIN AJMAL :

160. Will the Minister of Panchayat and Rural Development Department be pleased to state :

(a) List of houses executed under PMAY (Rural) during the period from year 2022-23 till date, including all the sanctioned amounts, all installments, contingencies and interest accrued, year wise and G P wise of Binnakandi Development Block.

(b) List of works executed under MGNREGA during the period from year 2022-23 till date, including all the sanctioned amount, amount used for payment of wages, amount used for payment of materials, date of commencement of work, date of completion, progress of work, reason for incomplete work if any, year wise and G P wise of Binnakandi Development Block.

(c) List of works executed under 14th FC and 15th FC fund during the period from year 2022-23 till date, including all the sanctioned amounts, all installments, contingencies and interest accrued, year wise and GP wise of Binnakandi Development Block.

*বিষয় ঃ* **গাঁও পঞ্চায়ত সম্পৰ্কে**

শ্ৰীতেৰছ গোৱালা ঃ

১৬১। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত মুঠ কিমানটা উন্নয়ন খণ্ড আৰু গাঁও পঞ্চায়ত আছে? জিলা ভিত্তিত তালিকা দিব।

(খ) বৰ্তমান অসমত কিমানগৰাকী গাঁও পঞ্চায়ত সচিব আছে? কিমানগৰাকী সচিবে দুই-তিনিটা গাঁও পঞ্চায়তত দায়িত্ব পালন কৰি আছে? জিলা ভিত্তিত তালিকা দিব।

(গ) খালী হৈ থকা গাঁও পঞ্চায়তসমূহত ১০০% দায়িত্বপ্ৰাপ্ত সচিব কেতিয়া নিযুক্তি দিয়া হ'ব ? জনাব।

(ঘ) গাঁও পঞ্চায়তসমূহৰ সীমা পুনৰ নিৰ্ধাৰণ কৰাৰ ফলত নতুনকৈ গাঁও পঞ্চায়ত গঠন হ'ল, নতুনকৈ গঠন হোৱা গাঁও পঞ্চায়তৰ কাৰ্য্যালয় নিৰ্মাণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে নেকি? সবিশেষ জনাব।

(ঙ) দুলীয়াজান বিধান সভা সমষ্টিত মুঠ কেইটা গাঁও পঞ্চায়ত আছে? পঞ্চায়তৰ বিপৰীতে কিমানগৰাকী স্থায়ী সচিব আছে জনাব। নতুনকৈ পঞ্চায়ত সচিব নিযুক্তি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছে নেকি? সবিশেষ জনাব।

*বিষয় ঃ* **জল জীৱন মিছনৰ আঁচনি**

শ্ৰীনজৰুল হক ঃ

১৬২। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২৩ নং ধুবুৰী বিধান সভা সমষ্টিত বৰ্তমানে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীনত 'জল জীৱন মিছন'ৰ কিমানটা আঁচনি নিৰ্মীয়মান অৱস্থাত আছে? বৰ্তমানে কিমানটা আঁচনি সম্পূৰ্ণ হৈছে আৰু কিমানটা সম্পূৰ্ণ হ'বলৈ বাকী আছে? (আঁচনিসমূহৰ কামৰ অগ্ৰগতিৰ খতিয়ান সদনৰ মজিয়াত দাখিল কৰিব)।

(খ) সম্পূৰ্ণ হোৱা আঁচনিসমূহৰ কিমানটা কাৰ্য্যক্ষম হৈ আছে আৰু কিমানটা বিকল হৈ আছে বিকল হৈ থকা আঁচনিসমূহ কিমান দিনৰ ভিতৰত কাৰ্য্যক্ষম হৈ উঠিব?

*বিষয় ঃ* **Water Plant নিৰ্মাণ সম্পৰ্কিত**

শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ

১৬৩। মাননীয় জনস্বাস্থ্য কারিকরী বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) Barak Valley র শ্রীভূমি, হাইলাকান্দি ও বদরপুর শহরের PHE বিভাগের যে Water Plant নির্মাণের ঘোষণা সরকার করিয়াছিলেন তার বর্তমান অবস্থা কি? এবং কবে নাগাদ আরম্ভ হইবে তাহার বিস্তারিত তথ্য সদনে প্রদানের অনুরোধ জানাই।

(খ) জল জীৱন মিশনের অধীনে আসামে কোন কোন প্রকল্পের কত শতাংশ কাজ হইয়াছে তাহার নাম ও কাজের শতাংশসহ তথ্য সদনে প্রদানের অনুরোধ জানাই।

(গ) কাঠিগড়া সমষ্টির জলজীৱন মিশনের অধীনে যেসব প্লান্টের কাজ চলিতেছে এইসব প্লান্ট কবে নাগাদ শেষ হইবে ? তার নাম, শুরুর তারিখ ও সমাপ্তির টার্গেট সহ তথ্য সদনে প্রদানের অনুবোধ জানাই।

(ঘ) জল জীবন প্রকল্পের অধীনে কাঠিগড়া সমষ্টির লক্ষ্মীপুর পার্ট ওয়ান, মনিপুর রায়পাড়া পার্ট টু, বাশটিলা ওইসব স্থানে জল সরবরাহ করা হইতেছে না তাহার কারণ ও ঠিকঠাক করার সরকারের ইচ্ছা আছে কি? কবে নাগাদ হইবে? তার তথ্য সদনে প্রদানের অনুরোধ জানাই।

(ঙ) কাঠিগড়া সমষ্টিৰ কালাইনচড়া চা বাগান অঞ্চলে জলজীবন প্রকল্পের কাজ অর্ধ সমাপ্ত হইয়া আছে, যার ফলে জনসাধারণ জল সরবরাহ পাইতেছেন না এই কাজ কবে সমাপ্ত হইবে তার তথ্য সদনে প্রদানের অনুরোধ জানাই।

*বিষয় ঃ* **IHHL আঁচনি সম্পৰ্কে**

শ্ৰীআব্দুৰ ৰহিম আহমেদ ঃ

১৬৪। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা বিধান সভা সমষ্টিত যোৱা দুটা বিত্তীয় বৰ্ষত IHHLৰ কিমানজন হিতাধিকাৰীৰ নাম বাছনি কৰা হৈছে? বৰ্ষানুযায়ী গাঁও পঞ্চায়ত ভিত্তিত তালিকা দাখিল কৰিব।

(খ) ইয়াৰে কিমানজন হিতাধিকাৰীয়ে IHHL পাইছে আৰু কিমানজন হিতাধিকাৰীয়ে পোৱা নাই? নোপোৱা হিতাধিকাৰীয়ে কিমান দিনৰ ভিতৰত এই IHHL পাব?

(গ) কিছুমান উপযুক্ত হিতাধিকাৰী আজিলৈকে এই আঁচনিৰ অন্তৰ্ভুক্ত হোৱা নাই, সেই হিতাধিকাৰী সকলক এই আঁচনিৰ অন্তৰ্ভুক্ত কৰাৰ কাৰণে বিভাগে কিবা পদক্ষেপ গ্ৰহণ কৰিছেনে? বিতংকৈ জনাব।

(ঘ) যদি কৰিছে, কি কি যোগ্যতাৰ ভিত্তিত এই তালিকাখন প্ৰস্তুত কৰা হয় বিতংকৈ সদনত দাখিল কৰিব।

*বিষয় ঃ* **Worker & Hepler এর পারিতোষিক বৃদ্ধি ও নতুন AWC Sanction.**

শ্রীসুজাম উদ্দিন লস্কর ঃ

১৬৫। মাননীয় মহিলা এবং শিশু উন্নয়ন বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) আসামে যে সকলে AWC এ Worker & Helper পদে কর্মরত আছেন তাহাদরে যৎসামান্য পারিতোষিক প্রদান করার বিষয়ে সরকার অবগত আছে কি?

(খ) যদি থাকে, তাদের পারিতোষিক বৃদ্ধি করার জন্য সরকার কোন পদক্ষেপ হাতে নিয়েছে কি?

(গ) বহু জনবসতি থাকা এলেকায় নতুন কোন AWC Centre Sanction দেওয়ার বিষয়ে সরকারের কোন পরিকল্পনা আছে কি?

(ঘ) যদি থাকে, তবে কবে নাগাদ Sanction দেওয়া হবে?

*বিষয় ঃ* **বিশুদ্ধ পানীয় জল সরবরাহ ও প্রকল্প**

শ্রীখলিল উদ্দিন মজুমদার ঃ

১৬৬। মাননীয় জনস্বাস্থ্য কারিকরী বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) কাটিগড়া সমষ্টির অন্তর্গত জলজীবন মিশন (JJM) এর অধীনে প্রকল্প থাকা সত্বেও নিয়মিত বিশুদ্ধ পানীয় জল সরবরাহ করা হচ্ছে না, যার দরুন বিশুদ্ধ পানীয় জলের হাহাকার চলছে সেই বিষয়ে সরকার কি অবগত ?

(খ) যদি অবগত থাকেন তাহলে নিয়মিত বিশুদ্ধ পানীয় জল সরবরাহ করার ক্ষেত্রে কি কোন পরিকল্পনা হাতে নিয়েছেন?

(গ) কাটিগড়া সমষ্টির মধ্যে অনেক প্রত্যন্ত অঞ্চল রয়েছে যেগুলোতে এখন পর্যন্ত ঘরে ঘরে বিশুদ্ধ পানীয় জল এর ব্যৱস্থা পৌছায়নি, সেইসব এলাকায় জল সরবরাহ করার ক্ষেত্রে সরকার কি কোন পরিকল্পনা গ্রহণ করেছে? যদি করে থাকেন তাহলে করে নাগাদ বাস্তবে রূপান্তরিত করা হবে? বিস্তারিত তথ্য তুলে ধরার অনুরোধ রইল।

*বিষয় ঃ* **নিযুক্তি কেলেংকাৰী**

শ্রীমনোৰঞ্জন তালুকদাৰ ঃ

১৬৭। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

অসম চৰকাৰে বিগত সময়ত পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগত সংঘটিত হোৱা নিযুক্তি কেলেংকাৰীৰ তদন্ত কৰিবলৈ সেই সময়ৰ মুখ্য সচিব জিষ্ণু বৰুৱাৰ অধ্যক্ষতাত এখন তদন্ত কমিটী গঠন কৰিছিল। সেই তদন্ত কমিটীৰ প্ৰতিবেদন ৰাজহুৱা কৰাৰ লগতে প্ৰতিবেদনৰ কাৰ্য্যকৰীকৰণ প্ৰসংগত সবিশেষ জনাব।

*বিষয় ঃ* **গুৱাহাটী পানী যোগান**

শ্ৰীমতী নন্দিতা দাস ঃ

১৬৮। মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত চৰকাৰে গুৱাহাটীবাসীক পানী যোগানৰ বাবে কি কি প্ৰকল্পৰ কাম গেমন আৰু জাইকাক প্ৰদান কৰিছিল? ইয়াৰ বাবে কোনটো প্ৰকল্পৰ বাবে কিমান টকা ধাৰ্য্য কৰা হৈছে? এতিয়ালৈকে কিমান টকা মোকলাই দিয়া হ'ল, বিতংকৈ জনাব।

(খ) গুৱাহাটীবাসীক পানী যোগানৰ বাবে যিকেইটা প্ৰকল্পৰ কাম হাতত লোৱা হৈছিল সেইবোৰ কি পৰ্য্যায়ত আছে, কোনটো প্ৰকল্পৰ কাম কেতিয়া শেষ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছিল।

(গ) নিৰ্ধাৰিত সময় উকলি যোৱাৰ পাছত কোনো প্ৰকল্পৰ কাম শেষ নোহোৱাকৈ আছে নেকি? যদি আছে, তেনে কাম শেষ কৰিব নোৱাৰা ঠিকাদাৰী প্ৰতিষ্ঠানৰ বিৰুদ্ধে কি কি ব্যৱস্থা লোৱা হৈছে?

(ঘ) বিগত তিনিটা বৰ্ষত গুৱাহাটীত কিমান পানীৰ পাইপ ফুটি দুৰ্ঘটনা সংঘটিত হৈছে? ইয়াৰ প্ৰকৃত কাৰণ কি কি, ইয়াৰ বাবে জগৰীয়া কোন? ইয়াক ভৱিষ্যতে প্ৰতিৰোধ কৰাৰ বাবে কি কি ব্যৱস্থা লোৱা হৈছে, বিতংকৈ জনাব।

*Sub.* : **Contractual Employees**

SHRI JIRON BASUMATARY :

169. Will the Minister of Panchayat and Rural Development Department be pleased to state :

(a) Has the Government taken any steps to regularize the post of contractual employees who has been working since 14 years as Gram Rojgar Sahayak, Computer Assistant and Account Assistant in the Panchayat and Rural Development Department ?

(b) If no, please furnish the reason in detail.

*বিষয় ঃ* **Tourism Route**

শ্ৰীমৃণাল শইকীয়া ঃ

১৭০। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোলাঘাট আৰু কাৰ্বি আংলং সীমান্তত নামবৰ বনাঞ্চলৰ মাজত থকা ফটাশিল নামৰ জলপ্ৰপাতটো (Water fall) পৰ্য্যটকৰ বাবে কিয় বন্ধ কৰি ৰখা হৈছে? নামবৰত পৰ্য্যটকৰ সংখ্যা বৃদ্ধি কৰিবলৈ এই জলপ্ৰপাতটো মুকলি কৰি দিয়াৰ ব্যৱস্থা কৰিব নেকি?

(খ) খুমটাই আৰু বোকাজান সমষ্টিক সামৰি দেওপানি মন্দিৰ, ফটাশিল জলপ্ৰপাত, (Water fall), গৰম পানীৰ উহঁ (Hot water Spring), নামবৰ বনাঞ্চল, মনোমোহা দৈগ্ৰোং নদী, কালিয়নি নদী আৰু বিজুলি বনাঞ্চলক কেন্দ্ৰ কৰি এটা Tourist Route সৃষ্টি কৰি GYPSY Safari ৰ ব্যৱস্থা কৰিলে বহুতো নিবনুৱা যুৱক-যুৱতী সংস্থাপিত হ'ব আৰু উক্ত অঞ্চলৰ গ্ৰামীণ অৰ্থনীতিত বিপুল পৰিবৰ্তন হ'ব। চৰকাৰে ইয়াৰ ব্যৱস্থা কৰিব নেকি?

*বিষয় ঃ* **আদৰ্শ অগংনবাড়ী কেন্দ্ৰ**

শ্ৰীভৱেন্দ্ৰ নাথ ভড়ালী ঃ

১৭১। মাননীয় মহিলা আৰু শিশু উন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান NIDA ৰ অন্তৰ্গত আদৰ্শ অংগনবাড়ী কেন্দ্ৰবোৰৰ নিৰ্মাণ কৰা পদ্ধতি কি?

(খ) বিভাগৰ নিৰ্দেশ মতে সমষ্টি ভিত্তিত এখন নিৰ্মাণ সমিতি গঠন কৰাৰ পাছত গোলাঘাট জিলাৰ আয়ুক্ত আৰু জিলা সমাজ কল্যাণ বিষয়াই, নিৰ্মাণ সমিতিয়ে নজনাকৈ আদৰ্শ অংগনবাড়ী কেন্দ্ৰ কি ভিত্তিত নিৰ্মাণৰ বাবে নিৰ্দেশ দিয়ে, সবিশেষ জনাব।

*বিষয় ঃ* **মাজুলীৰ পৰ্য্যটন গৃহ সমূহৰ সম্পৰ্কে**

শ্ৰীভূৱন গাম ঃ

১৭২। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পৰ্য্যটন বিভাগে মাজুলীৰ পৰ্য্যটন উদ্যোগৰ বিকাশৰ বাবে ক্ৰমে জেংৰাইমুখ, শালমৰা, চামগুৰি সত্ৰ, কমলাবাৰী, বৰগএগ্ৰাত নিৰ্মিত আঁচনিসমূহত কিমান পুঁজি ধাৰ্য্য কৰিছিল?

(খ) এই প্ৰকল্পসমূহ বৰ্তমান কি পৰ্য্যায়ত আছে?

(গ) যদি নিৰ্মাণ সম্পূৰ্ণ হৈছে, আজি পৰ্য্যন্ত কিয় ব্যৱহাৰ নোহোৱাকৈ ৰখা হৈছে?

(ঘ) চৰকাৰে এইক্ষেত্ৰত কিবা ব্যৱস্থা গ্ৰহণ কৰিছেনে?

*বিষয় ঃ* **বঞ্চিত জি পি পুনরায় কাজ**

শ্ৰীনিজাম উদ্দিন চৌধুরী ঃ

১৭৩। মাননীয় জনস্বাস্থ্য কারিকরী বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) আলগাপুর বিধান সভা সমষ্টিতে Mega PHE এর কাজ চলিতেছে, সরকার এই প্রকল্পের ব্যাপারে অবগত আছে কি?

(খ) যদি অবগত থাকে, তবে বঞ্চিত জি পি গুলার পুনরায় কাজ করার কোন পদক্ষেপ নেওয়া হয়েছে কি?

*বিষয় ঃ* **জলজীৱন মিছনৰ অধীনত তিতাবৰৰ গাঁওসমূহত বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থাৰ বিষয়ে।**

শ্ৰীভাস্কৰ জ্যোতি বৰুৱা ঃ

১৭৪। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

তিতাবৰৰ গাঁও অঞ্চলৰ বেছিভাগ লোকে বিশুদ্ধ খোৱাপানী পোৱা নাই, গতিকে চৰকাৰে কেতিয়ালৈ নিয়মীয়াকৈ তিতাবৰৰ গাঁওসমূহত বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা কৰিব জনাব। জনস্বাস্থ্য কাৰিকৰী বিভাগে এতিয়ালৈকে শতকৰা কিমানখন গাঁৱত বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা কৰিব পাৰিছে, এই বিষয়ে চৰকাৰে তথ্য সহকাৰে জনাবনে?

*বিষয় ঃ* **দিব্যাংগ Pension**

শ্ৰীজাকির হুসেন লস্কর

১৭৫ । মাননীয় মহিলা এবং শিশু উন্নয়ন বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ?

(ক) হাইলাকান্দি জেলার দিব্যাংগ Pension প্রাপকদের তালিকায় যে ৩৩০০ জনের তথ্যের সাথে বিসংগতি ধরা পড়েছিল এবং এই ভূয়ো হিতাধিকারিদের নামে যে বৃহৎ কেলেংকারী প্রকাশ পেয়েছিল সেই বিষয়ে সরকারের হাতে কি তথ্য আছে? সদনে অবগত করার জন্য অনুরোধ করছি।

(খ) এই ৩৩০০ জন সুবিধা প্রাপকদের নামে যে বৃহৎ বিসংগতি ধরা পড়েছিল সেই কেলেংকারীর সাথে জড়িত আধিকারিকদের উপর কি শাস্তিমূলক ব্যবস্থা নেওয়া হয়েছে? বিস্তারিত তথ্য জানাতে অনুরোধ করছি।

*বিষয় ঃ* **গুৱাহাটী মহানগৰীৰ পানী যোগান সম্পৰ্কত ।**

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা

১৭৬। মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গুৱাহাটী মহানগৰীৰ দক্ষিণ-পশ্চিম আৰু দক্ষিণ-পূব পানী যোগান আঁচনি দুটা বৰ্তমান কি পৰ্য্যায়ত আছে, জনাবনে? উক্ত আঁচনি দুটা কেতিয়া সম্পূৰ্ণ হ'ব?

(খ) দক্ষিণ-পশ্চিম আৰু দক্ষিণ-পূব গুৱাহাটী পানী যোগান আঁচনি দুটাৰ বাবে Original Estimate Cost কিমান আছিল আৰু বৰ্তমান অতিৰিক্ত কিমান পুঁজিৰ প্ৰয়োজন হ'ব? প্ৰয়োজন হোৱা অতিৰিক্ত পুঁজিখিনিৰ Sanction কৰা হ'লনে?

(গ) দক্ষিণ-পশ্চিম গুৱাহাটী পানী যোগান আঁচনিটোৰ কাম বৰ্তমান কোন কোম্পানীক দায়িত্ব বা অৰ্পণ কৰা হৈছে আৰু সেই কোম্পানীক সম্পূৰ্ণ কৰাৰ সময়সীমা কিমান ধাৰ্য্য কৰা হৈছে?

*বিষয় ঃ* **ঋণ সম্পকীয়**

শ্ৰীমতী শিৱামনি বৰা

১৭৭ । মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰিজাৰ্ভ বেংকৰ মতে এখন ৰাজ্যই বছৰি লোৱা ঋণৰ বৃদ্ধিৰ হাৰ সংশ্লিষ্ট বছৰৰ মুঠ ঘৰুৱা উৎপাদনৰ বৃদ্ধিৰ হাৰতকৈ হ্ৰাস হ'লেহে ঋণ ধাৰণক্ষম (Sustainable) হয় এই কথা সঁচানে? অসম চৰকাৰে এই কথা মানি চলেনে?

(খ) অসম চৰকাৰে যোৱা ৫ বছৰত বছৰি লোৱা ঋণৰ বৃদ্ধিৰ হাৰ আৰু বছৰি মুঠ ঘৰুৱা উৎপাদনৰ বৃদ্ধিৰ হাৰৰ তথ্য দিব।

*বিষয় ঃ* **জল জীৱন মিছন**

শ্ৰী বিদ্যা সিং ইংলেং

১৭৮ । মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিফু বিধান সভা সমষ্টিৰ অন্তৰ্গত অঞ্চলসমূহত এতিয়ালৈকে জল জীৱন মিছনৰ কাম কিমান শতাংশ সম্পূৰ্ণ হৈছে?

(খ) এই মিছনৰ অধীনত ডিফু বিধান সভা সমষ্টিৰ অন্তৰ্গত কিমান পৰিয়ালে বিশুদ্ধ খোৱা পানীৰ সুবিধা পাইছে?

(গ) ডিফু বিধান সভা সমষ্টিৰ অন্তৰ্গত জল জীৱন মিছনৰ অসম্পূৰ্ণ কামসমূহ কেতিয়ালৈকে সম্পূৰ্ণ কৰি সকলো পৰিয়ালকে বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা কৰি দিব পাৰিব?

(ঘ) জল জীৱন মিছনৰ এই কাম সম্পূৰ্ণ হ'লে, ডিফু বিধান সভা সমষ্টিৰ সৰ্ব্বমুঠ জনসংখ্যাৰ ভিতৰত কিমান শতাংশ পৰিয়ালে বিশুদ্ধ খোৱা পানীৰ সুবিধা পাব?

*Sub.* : **About women and Child**

Shri JOLEN DAIMARY :

179. Will the Minister of women and Child Development Department be pleased to state :

(a) Child trafficking is often reported in Tamulpur constituency. Is there any list regarding this in the department ? If so, has the Depertment taken any action to prevent them ?

(b) What actions/programmes has been taken for "Beti Bachao, Beti Padao" in Tamulpur constituency ? Please furnish programme wise details.

(c) How many contractual employees are there in Women & Child Development Department and in which ranks ? Has the Government taken any steps for regularization of their job ? If not, when will it be taken?

(d) Has the Government taken any programme for training of our mothers ? If so, furnish the details.

*বিষয় ঃ* **অনুসূচীত জাতি আৰু জনজাতি উপ-পৰিকল্পনা (SCSP & TSP)।**

শ্ৰীদুৰ্গাদাস বড়ো ঃ

১৮০। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰে অনুসূচীত জাতি আৰু জনজাতি উপ-পৰিকল্পনা শিতান (SCSP & TSP) বন্ধ কৰিবলৈ সিদ্ধান্ত লৈছে নেকি? যদি লৈছে, কিয় এনে সিদ্ধান্ত লৈছে, সবিশেষ জনাব। কেতিয়াৰ পৰা বন্ধ কৰা হ'ব, তাৰ তথ্য জনাব।

(খ) যদি বন্ধ কৰাৰ সিদ্ধান্ত লোৱা নাই তেন্তে Notice No. BB.E.22680/265, Dtd.06-01-2025, Government of Assam, Finance (Budget) Department, Assam Secretariat, Dispur জাননীখন কিয় জাৰি কৰিছিল? উক্ত জাননীখন বাতিল কৰা হ'ল নেকি? যদি বাতিল কৰা নাই তাৰ কাৰণ জনাব।

(গ) উক্ত (SCSP & TSP) আঁচনিৰ লগতে চৰকাৰে বিত্ত বিভাগৰ অধীনস্থ আন কি কি আঁচনি বা শিতান বন্ধ কৰাৰ প্ৰস্তাৱ লৈছে? সদনত সকলো তথ্য জনাব।

*বিষয় ঃ* **মিছাজান, চকলীয়া পানী যোগান আঁচনি সম্পৰ্কে।**

শ্ৰীধৰ্মেশ্বৰ কোঁৱৰ ঃ

১৮১। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

নাজিৰা সংমণ্ডলৰ অধীনত বৰহাট মিছাজান, চকলীয়াকে ধৰি আৰু কোনকেইটা স্থানত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ পানী যোগান আঁচনি অৰ্ধনিৰ্মিত অৱস্থাত আছে? মিছাজান, চকলীয়া পানী যোগান আঁচনিসমূহৰ নিৰ্মাণৰ কাম কেতিয়া সম্পূৰ্ণ হ'ব? এই বিষয়ে সবিশেষ জনাব।

*Sub.* : **Payment of IHHL (LOB & NOLP) under Baghbar LAC SDRF bills of 2022 and bill for installation of SHP and THP.**

Shri SHERMAN ALI AHMED :

182. Will the Minister of Public Health Engineering Department be pleased to state :

(a) In view of unstarred QN 60 dated 27-08-2024 and EE's re-verification report submitted Vide No. PHEE/BAR/SBM-40/Pt./2024-25/8727 dated 30-01-2025, what is the present status of payment ?

(b) When payment shall be made?

(c) In view of the said reply, EE received instruction for issuing work order and submission of bill from District Authority in respect of works like installation of hand tubewell, toilet etc. during flood of 2022. What is the present status of payment ?

(d) Whether work orders are issued and bills submitted ? If not, why?

(e) In view of reply to the above question and that of unstarred QN 4 dated 06-02-2024, what is the present status of payment of installation of 25 SHPs ?

(f) Whether administrative approval is revalidated ? If not, why ?

(g) When payment shall be made?

(h) Why the contractor has to wait for eight years after successful completion of works simply for cumbersome official procedure ?

*Sub.* : **What is the update on establishment of District Treasury office for Chirang District at District Headquarter, Kajalgaon.**

Shri NIRMAL KUMAR BRAHMA :

183. Will the Minister of Finance Department be pleased to state :

Kajalgaon is the District Headquarter of Chirang District and as

such it is important and convenient to have the District Treasury Office at Kajalgaon.

Currently, all the financial matters of the office of the District Commissioner and Superintendent of Police are being handled by the Bongaigaon Treasury and financial matters of various departments are being handled by the Bijni Sub-Treasury, which are located at far away distance from the District Headquarter, and this at times act as hindrances to faster disposal of matters.

Hence, it will be helpful and efficient to have the District Treasury Office at the District Heradquarter, where most of the offices are located.

*Sub.* : **Co-District office**

Shri ABDUR RASHID MANDAL :

184. Will the Minister of GAD Department be pleased to state :

(a) Please furnish the list of Co-District notified and list of Co-District functioning as on date.

(b) Whether the Government has sanctioned requisite fund for construction of office buildings of all the Co-District functioning? If yes, please furnish in details. If not, why?

(c) Is Government aware that the Goalpara West Co-District is functioning in a Community Centre of Balijana Development Block? If yes, will Government sanction requisite fund for construction of office building of the Co-District?

(d) Is Government aware that the Goalpara District Administration selected site at Silapani for Jaleswar LAC Co-District? If yes, when the functioning of the Co-District will be started?

(e) Please furnish in details about authority, power, functioning and jurisdiction in departments for Co-District Commissioners are given accordingly or not?

*বিষয় ঃ* **খৰছৰ প্ৰতিবেদন**

শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) ঃ

১৮৫। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২১-২২, ২০২২-২৩, ২০২৩-২৪ বিত্তীয় বছৰত সৰ্বমুঠ কিমান টকাৰ বাজেট নিৰ্ধাৰণ কৰা হৈছিল আৰু কোন বিভাগত কিমান টকা মোকলাই দিয়া হৈছিল?

(খ) চলিত বিত্তীয় বছৰত কোন বিভাগত কিমান টকাৰ বাজেট নিৰ্ধাৰণ কৰা হৈছিল আৰু এতিয়ালৈকে কিমান টকা মোকলাই দিয়া হৈছে আৰু কিমান টকা ব্যয় কৰা হৈছে?

(গ) এতিয়ালৈকে ৰাজ্য চৰকাৰে কোনটো বৰ্ষত কিমান টকা ঋণ লৈছে আৰু কোন বছৰত কিমান সূত পৰিশোধ কৰিছে?

*বিষয় ঃ* অংগনবাড়ী

শ্ৰীআশ্ৰাফুল হুছেইন ঃ

১৮৬। মাননীয় মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যত এতিয়ালৈ আবণ্টন দিয়া ম'ডেল অংগনবাড়ীৰ নামসহ পুৰণি বিধান সভা সমষ্টি অনুযায়ী জনোৱাৰ বিপৰীতে এই কেন্দ্ৰবোৰৰ প্ৰগ্ৰেছ সম্পৰ্কে তথ্য প্ৰদান কৰিব।

(খ) ৰাজ্যৰ কোনকেইটা সংহত শিশু প্ৰকল্প আৰু DSWO ৰ নিজস্ব কাৰ্য্যালয় নাইবা ভাড়া ঘৰত চলিছে? ইয়াৰ বিপৰীতে কোন কাৰ্য্যালয়ৰ বাবদ কিমান ভাড়া আদায় দিয়া হয়? ভৱিষ্যতে কাৰ্য্যালয় নিৰ্মাণৰ কাম হাতত ল'বনে?

(গ) এতিয়াও কিমান সংখ্যক অংগনবাড়ীৰ কেন্দ্ৰ ভাড়া ঘৰত বা কৰ্মীৰ ঘৰত চলে? প্ৰকল্প অনুযায়ী তথ্য দিব। এই কেন্দ্ৰবোৰত ন্যূনতম প্ৰয়োজনীয় আন্তঃ গাঁথনি সুঃনিশ্চিত কৰিবলৈ বিভাগে দীঘলীয়া সময়ৰ বাবে লিজত লৈ এটা নিৰ্দিষ্ট আন্তঃগাঁথনিৰ কথা চিন্তা কৰিবনে?

(ঘ) এই বিভাগে বৰ্তমানে কি কি কাম পৰিচালনা কৰে, বিতং জনাব। অংগনবাড়ীৰ কেন্দ্ৰসমূহৰ জৰিয়তে কি ধৰণৰ সেৱা জনগণক দিয়া হয় বিতংকৈ জনাব। সেইমৰ্মে চলিত বিত্তীয় বৰ্ষত প্ৰকল্প অনুযায়ী কি সামগ্ৰী বা ধন কিদৰে যোগান ধৰা হৈছে তাৰ বিষয়ে জনাব।

*বিষয় ঃ* **অংগনবাড়ী কৰ্মী সম্পৰ্কে**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

১৮৭। মাননীয় মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ বিভিন্ন প্ৰকল্পত কৰ্মৰত অংগনবাড়ী কৰ্মী আৰু সহায়িকা সকলে মাননি হিচাপে প্ৰতিমাহত মুঠ কিমান টকা লাভ কৰে আৰু মাননি কোন চনৰ পৰা দি থকা হৈছে জনাব।

(খ) বিভাগে অংগনবাড়ী কৰ্মী আৰু সহায়িকা সকলৰ মাননি বৃদ্ধি কৰাৰ কিবা পৰিকল্পনা কৰিছে নেকি? যদি কৰিছে, কিমান টকাকৈ আৰু কেতিয়াৰ পৰা বৃদ্ধি কৰিব ? বিতং তথ্য দিব।

(গ) অসমত মুঠ কিমান অংগনবাড়ী কেন্দ্ৰ ভাড়াঘৰত আৰু ব্যক্তিগত মাটিত আছে? প্ৰকল্প হিচাবে তালিকা দিব।

(ঘ) অসমত মুঠ কিমানখন আদৰ্শ কেন্দ্ৰ নিৰ্মাণ কৰা হৈছে আৰু কিমানখনৰ কাম চলি আছে তাৰ তালিকা দিব।

(ঙ) আদৰ্শ অংগনবাড়ী তালিকাত অন্তৰ্ভুক্ত নোহোৱা কেন্দ্ৰসমূহ কেতিয়া আদৰ্শ কেন্দ্ৰলৈ উন্নীত হ'ব?

*বিষয় ঃ* MGNREGA আঁচনি।

ডাঃ আচিফ মঃ নাজাৰ ঃ

১৮৮। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্য চৰকাৰে MGNREGA আঁচনিৰ জবকাৰ্ডৰ বাবদ দিয়া মজুৰি শেষ বাৰৰ বাবে কেতিয়া বৃদ্ধি কৰিছিল?

(খ) MGNREGA আঁচনিত Job Card ৰ মজুৰি কম হোৱাৰ বাবে জবকাৰ্ডৰ গৰাকীয়ে কাম কৰিবলৈ অনীহা প্ৰকাশ কৰে, এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে ট্ৰাক কেৰেছ বা ঠেলা কেৰেছৰ ব্যৱস্থা কৰা হৈছেনে?

(গ) অসমৰ প্ৰতিটো উন্নয়ন খণ্ডৰ কাৰ্য্যালয়ত পৰ্য্যাপ্ত পৰিমাণে কৰ্মচাৰী আছেনে? লাহৰিঘাট উন্নয়ন খণ্ডৰ কাৰ্য্যালয়ৰ অন্তৰ্গত প্ৰতিটো পঞ্চায়তত পৰ্য্যাপ্ত পৰিমাণে কৰ্মচাৰী আছেনে?

*বিষয় ঃ* **পৌৰ নিগমৰ পানী যোগান আঁচনিৰ সম্পৰ্কে।**

শ্ৰীবসন্ত দাস ঃ

১৮৯। মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

মঙ্গলদৈ নগৰ পানী যোগান আঁচনিখনে মঙ্গলদৈ পৌৰসভাৰ কেইটা ৱাৰ্ডত পানী যোগান

ধৰি আছে? বাকী ৱাৰ্ড কেইটাত কেতিয়াৰ পৰা পানী যোগান ধৰিব? ৯ আৰু ১০ নং ৱাৰ্ডত পানী যোগানৰ পাইপ লাইনৰ কাম কেতিয়াৰ পৰা আৰম্ভ হ'ব সবিশেষ জনাব।

*বিষয় ঃ* **এম জি, এনৰেগাৰ মূল উদ্দেশ্য**

মোঃ নুৰুল হুদা ঃ

১৯০। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) এমজিএনৰেগা আঁচনিৰ মূল লক্ষ্য আৰু উদ্দেশ্য কি? এই লক্ষ্য পূৰণৰ ক্ষেত্ৰত কি কি পদক্ষেপ গ্ৰহণ কৰা হৈছে? (বিস্তৃত তথ্যসহ দাখিল কৰিব)

(খ) এমজিএনৰেগা আঁচনি ৰূপায়ণৰ বাবে ২০১৬ চনৰ পৰা বৰ্তমানলৈ কোন জিলাত কিমান টকা অনুমোদন জনোৱা হৈছে? অনুমোদিত ধনৰ বিপৰীতে কোন জিলাত কিমানজন শ্ৰমিকে বছৰি কৰ্মদিন লাভ কৰিছে? (বিস্তৃত তথ্যসহ দাখিল কৰিব)।

(গ) উক্ত আঁচনিৰ অধীনত জিলাভিত্তিক পঞ্জীয়নকৃত শ্ৰমিকৰ সংখ্যা কিমান? উক্ত শ্ৰমিক সকলৰ ভিতৰত এশদিন কাম লাভ কৰা আৰু বছৰি ৫০ দিন কাম লাভ কৰা শ্ৰমিকৰ সংখ্যা কিমান? কিমানজনলোকে বছৰি এদিনো কাম নোপোৱাকৈ আছে? (২০১৬ চনৰ পৰা ২০২৪ চনলৈ বৰ্ষভিত্তিক বিস্তৃত তথ্য জিলাভিত্তিক তালিকাসহ দাখিল কৰিব)।

(ঘ) এমজিএনৰেগা আঁচনিৰ অধীনত এশদিনৰ কাম লাভ নকৰা লোকৰ বিপৰীতে ক্ষতিপূৰণ লাভ কৰা শ্ৰমিকৰ সংখ্যা কিমান? (বিস্তৃত তথ্যসহ দাখিল কৰিব)।

(ঙ) এমজিএনৰেগা শ্ৰমিকৰ দৈনিক হাজিৰাৰ পৰিমাণ ৬০০ টকালৈ বৃদ্ধি কৰি আঁচনিখন ফলপ্ৰসু ৰূপায়ণৰ ক্ষেত্ৰত চৰকাৰে গুৰুত্ব দিবনে? (বিস্তৃত তথ্যসহ সদনত দাখিল কৰিব)।

*বিষয় ঃ* **15th FC আঁচনিৰ নিৰ্মাণ কমিটীৰ Chairman সম্পৰ্কে।**

শ্ৰীনজৰুল হক ঃ

১৯১। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২৩-২৪ বিত্তীয় বৰ্ষৰ ধুবুৰী জিলা পৰিষদৰ অন্তৰ্গত 15th FC ৰ আঁচনি সমূহৰ নিৰ্মাণ কমিটীৰ Chairman সমূহ সেই এলেকাৰ মানুহৰ বাহিৰে বেলেগ ঠাইৰ মানুহক দিব পাৰি নেকি? যদি দিব পাৰি কিহৰ ভিত্তিত জনাব।

(খ) উক্ত নিৰ্মাণ কমিটীৰ ক্ষেত্ৰত কিবা গাইডলাইন আছে নেকি? যদি আছে, সদনৰ মজিয়াত দাখিল কৰিব।

*বিষয় ঃ* **জলজীৱন মিছনৰ অধীনত পানী যোগান আঁচনি।**

শ্ৰীআব্দুল বাতিন খন্দকাৰ ঃ

১৯২। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত মুঠ কিমানটা নতুন পানী যোগান আঁচনি আৰু কিমানটা ৰেট্ৰ'ফিটিং আঁচনি জলজীৱন মিছনৰ অধীনত মঞ্জুৰ কৰা হৈছে? এই আঁচনি সমূহৰ বিপৰীতে কিমান ধন মঞ্জুৰ কৰা হৈছে?

(খ) ওপৰোক্ত আঁচনি সমূহৰ কিমান আঁচনিৰ কাম সম্পূৰ্ণ হৈছে আৰু কিমানটা আঁচনিৰ কাম চলি আছে? কোন কোন আঁচনিৰ যোগেদি বৰ্তমান পানী যোগান ধৰা হৈছে? জিলা ভিত্তিক তথ্য দিব।

(গ) বঙাইগাঁও জিলাত কোনো অঞ্চলৰ জনসাধাৰণক এতিয়াও পানী যোগান আঁচনিৰ দ্বাৰা সাঙুৰি ল'বলৈ বাকী আছেনেকি? যদি আছে, সেই জনসাধাৰণক সাঙুৰি লোৱাকৈ কোনো আঁচনি গ্ৰহণ কৰিব নেকি? বিতং তথ্য দিব।

*বিষয়ঃ* **অফিচ আদালতের নাম বদল সম্পর্কিত**

শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ

১৯৩। মাননীয় সাধারণ প্রশাসন বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করে জানাবেন কি ঃ

(ক) করিমগঞ্জ জেলার নাম বদল হয়ে শ্রীভূমি জেলা হওয়াতে অনেক অফিস আদালতের নাম করিমগঞ্জের বদলে শ্রীভূমি হয়ছে আবার অনেক প্রতিষ্ঠানের নাম বদলি হয় নাই। তাই একটি সার্ভে করিয়া ওইসব নাম পরিবর্তনের প্রয়াস নেওয়া হোক এবং সরকারি কোন কোন প্রতিষ্ঠানের নাম পরিবর্তন হইয়াছে তাহার তথ্য সদনে প্রদানের অনুরোধ জনাই।

(খ) কাঠিগড়াকে কবে নাগাদ উপজেলা হিসেবে ঘোষণা করা হইবে তাহার তথ্য সদনে প্রকাশের অনুরোধ জনাই।

*বিষয় ঃ* **নিযুত মইনা আঁচনি**

শ্ৰীদেৱব্ৰত শইকীয়া ঃ

১৯৪। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনি কেতিয়াৰ পৰা কাৰ্য্যকৰী কৰা হৈছে?

(খ) চলিত বছৰত কিমান জন ছাত্ৰ-ছাত্ৰীক এই আঁচনিৰ সুবিধা দিয়া হৈছে? (পাঠ্যক্ৰম অনুসৰি ছাত্ৰ-ছাত্ৰীৰ সংখ্যা দেখুৱাব)।

(গ) বৰ্তমানলৈ এই আঁচনি অসমৰ সকলো জিলাতে কাৰ্য্যকৰী কৰা হৈছেনে? যদি হোৱা নাই, কিয় হোৱা নাই তথ্য সহকাৰে দিব।

(ঘ) এই আঁচনি কাৰ্য্যকৰী কৰিবৰ বাবে কেন্দ্ৰীয় চৰকাৰ বা কোনো বৈদেশিক বিত্তীয় অনুষ্ঠানৰ পৰা বিত্তীয় সাহাৰ্য্য পাইছে নেকি?

(ঙ) যদি নাই পোৱা, তেনেহ'লে অসম চৰকাৰৰ কোনটো শিতানৰ পুঁজিৰ পৰা এই আৰ্থিক সাহাৰ্য্য দিয়া হৈছে?

(চ) উক্ত পুঁজিৰ শিতানৰ সম্পূৰ্ণ হেড অব একাউণ্ট দাখিল কৰিব।

*বিষয় ঃ* **জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়তৰ পুঁজি আৰু আঁচনি।**

ড° ৰফিকুল ইছলাম ঃ

১৯৫। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা চাৰিটা বিত্তীয় বৰ্ষত কোন কোন হাট-ঘাটৰ পৰা কিমান টকা জিলা পৰিষদে লাভ কৰিছে? ইয়াৰে আঞ্চলিক পঞ্চায়তসমূহক দিবলগীয়া শ্বেয়াৰৰ অংশ কোন আঞ্চলিকক, কেতিয়া, কিমান টকা দিয়া হ'ল? বিতং তথ্য জনাব।

(খ) জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়ত সমূহে লাভ কৰা এই পুঁজি সমূহ কোন শিতানত কি কি কামত খৰচ কৰিলে তাৰ বিতং জনাব।

(গ) বৰপেটা জিলাৰ প্ৰতিটো পঞ্চায়তত বৰ্তমান চলি থকা (On going) কামৰ সংখ্যা আৰু নিৰ্ধাৰিত পুঁজিৰে সৈতে তালিকা জনাব, লগতে প্ৰতিটো কামৰ অগ্ৰগতি জনাব।

(ঘ) বৰপেটা জিলাৰ প্ৰতিটো পঞ্চায়তত বিগত তিনিটা বিত্তীয় বৰ্ষত কোন বৰ্ষত কেইটাকৈ কাম মঞ্জুৰ দিয়া হৈছে? জনাব।

*বিষয় ঃ* **বুঢ়ীদিহিং মৌজাৰ বিকাশৰ বাবে বিশেষ পেকেজৰ সন্দৰ্ভত।**

শ্ৰীসুৰেন ফুকন ঃ

১৯৬। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম-অৰুণাচল প্ৰদেশৰ সীমান্তৱৰ্তী বুঢ়ীদিহিং মৌজা আজিও বিভিন্ন দিশত যেনে-ৰাস্তা-পদুলি, শিক্ষানুষ্ঠান, চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানৰ দিশত পিছপৰি আছে। এই বিষয়ে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, অঞ্চলটোৰ সম-উন্নয়ন আৰু সম-বিকাশৰ বাবে মৌজাটোত আন্তগাঁথনি উন্নয়নৰ যথেষ্ট প্ৰয়োজন আছে। এইক্ষেত্ৰত বিত্ত বিভাগে বিভাগীয় নিয়মৰ মাজেৰে এক বিশেষ পেকেজ প্ৰদান কৰিব পাৰে নেকি? (বিতংভাৱে জনাব)।

*বিষয় ঃ* **বিধায়ক পুঁজি আবণ্টন**

শ্ৰীৰাজেদ আলি চৌধুৰী ঃ

১৯৭। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিধায়ক পুঁজিৰ আবণ্টন কিহৰ ভিত্তিত দিয়া হয়?

(খ) বিধান সভা সমষ্টি পুনৰ গঠনৰ পিচত অসমৰ ১২৬ টা বিধান সভা সমষ্টিৰ জনসংখ্যা সমষ্টি ভিত্তিত জনাব নেকি?

(গ) সমষ্টি উন্নয়নৰ ক্ষেত্ৰত বিধায়ক পুঁজি জনসংখ্যা অনুপাতে আবণ্টন দিয়াৰ ব্যৱস্থা কৰিব নেকি?

*বিষয় ঃ* **পৌৰসভা এলেকাত গৃহ আবণ্টন সম্পৰ্কে।**

শ্ৰীৰূপক শৰ্মা ঃ

১৯৮। মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাঁও পৌৰসভা এলেকাত বৰ্তমানলৈ প্ৰধানমন্ত্ৰী আবাস যোজনা (চহৰ অঞ্চল) কিমান গৃহ আবণ্টন দিয়া হৈছে?

(খ) ইয়াৰে কিমান সম্পূৰ্ণ হৈছে আৰু কিমান সম্পূৰ্ণ হ'বলৈ বাকী আছে?

(গ) লগতে নতুনকৈ কিমানে আবেদন কৰিছে?

(ঘ) কিমান গৃহ নগাঁও পৌৰসভা এলেকাত চৰকাৰে আবণ্টন দিব?

*বিষয় ঃ* **আঁচনি সন্দৰ্ভত**

শ্ৰীআবুল কালাম ৰশিদ আলম ঃ

১৯৯। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ বিভিন্ন জিলাত বৰ্তমান জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীনত থকা কিমানটা আঁচনি (PWSS) কাৰ্য্যক্ষম হৈ আছে আৰু কিমানটা বিকল হৈ আছে?

(খ) গোৱালপাৰা পূব বিধান সভা সমষ্টিত JJM ৰ অধীনত কেইটা আঁচনি মেৰামতি কৰা হৈছে, কেইটাৰ কাম চলি আছে, ইয়াৰে কোন কোন Scheme শেষ হৈছে আৰু কোন কোন Scheme কোন কোন ঠিকাদাৰক দিয়া হৈছে? ঠিকা দিয়া নিয়ম Guideline সহ তথ্য সহকাৰে জনাব।

(গ) JJM ৰ অধীনত গোৱালপাৰা পূব সমষ্টিত নতুনকৈ কিমানটা Scheme ৰ Proposal পঠোৱা হৈছে আৰু সেই Scheme সমূহ কেতিয়া Approval দিয়া হ'ব? তথ্য সহকাৰে জনাব।

(ঘ) বৰ্তমান অসমত কিমান শিক্ষানুষ্ঠান আৰু অঙ্গনবাড়ী কেন্দ্ৰ JJM ৰ অধীনত পানী

যোগানৰ ব্যৱস্থা কৰা হৈছে আৰু কিমান বাকী আছে? বাকী থকা সমূহত কেতিয়া পানী যোগানৰ ব্যৱস্থা কৰিব তথ্য সহকাৰে জনাব।

(ঙ) অসমত চলি থকা JJM Scheme ৰ কামসমূহৰ কিমানটা সম্পূৰ্ণ হৈছে আৰু কিমান বাকী আছে, এই Scheme সমূহৰ কিমানটা Scheme ৰ ঠিকাদাৰক Payment কৰা হৈছে আৰু কিমান বাকী আছে, বাকী থকা Payment (Bill) কিমান দিনৰ ভিতৰত বিভিন্ন ঠিকাদাৰ বা প্ৰতিষ্ঠানক আদায় দিব? তথ্য সহকাৰে জনাব।

(চ) অসমত বিভিন্ন পানী যোগান আঁচনিৰ কিমানজন জলমিত্ৰ লোৱা হৈছে? এই জলমিত্ৰৰ মাহিলী দৰমহা কিমান দিয়া হয়? এই জলমিত্ৰ সমূহৰ চাকৰি স্থায়ীকৰণ কৰা হ'ব নেকি? যদি কৰে, কেতিয়া কৰিব আৰু যদি নকৰে কিয়? তথ্য সহকাৰে জনাব।

*বিষয় ঃ* **গুৱাহাটী পৌৰ নিগমৰ সন্দৰ্ভত**

শ্ৰীসিদ্ধাৰ্থ ভট্টাচাৰ্য্য ঃ

২০০। মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মিছন বসুন্ধৰা ২.০ ৰ অধীনত যিবোৰ ঠাইক ভূমিস্খলন প্ৰৱন অঞ্চল হিচাপে চিহ্নিত কৰা হৈছিল, সেই সমূহৰ বিতং তথ্য জনাব।

(খ) এই অঞ্চল সমূহ কি ভিত্তিত ভূমিস্খলন প্ৰৱন অঞ্চল হিচাপে চিহ্নিত কৰা হ'ল, তাৰ বিতং তথ্য জনাব।

(গ) এই সম্পৰ্কত ভূতাত্বিক অনুসন্ধান বা বৈজ্ঞানিক ক্ষেত্ৰভিত্তিক জৰীপ বা সমীক্ষা চলোৱা হৈছিল নেকি? কোন সংস্থাই এইসমূহ জৰীপ চলাইছিল তাৰ বিতং তথ্য জনাব।

Assam Government press 34/25-LAQ-550-25-02-2025